# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত গঠিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিস্তৃতভাৱে পালন কৰা হয়। দিৱসৰ মূল কাৰ্যসূচী আজি পুৰা ডিফু চহৰৰ ছাৰছিং তেৰণ লাংকুং হাবে টাউন হলত অনুষ্ঠিত হয়। এই উপলক্ষে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'ৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। কাৰ্বি জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়।

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেণতো পৰিষদৰ শাখা সচিবালয়ৰ প্ৰাংগণত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে আয়োজন কৰা দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীত  কাৰ্বি ৰজা লংচিং ৰংহাং আৰু কাৰ্বি পৰিষদৰ উপাধ্যক্ষ অভিজিৎ ক্ৰ' উপস্থিত থাকে।

০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ এটা ৰীগত সংঘটিত গেছ নিৰ্গমনৰ ঘটনা ৰোধ কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ ফলস্বৰূপে নিৰ্গমন চাপ ৫০ শতাংশলৈ হ্ৰাস হৈছে। আজি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰা মন্ত্ৰী যোগেন মহনে এই বিষয়ে আমাৰ সংবাদদাতাক অৱগত কৰে। ইয়াৰ পূৰ্বে সকলো সুৰক্ষা প্ৰট'কল অনুসৰণ কৰি বিগত ১২ দিনে  অ' এন জি চিয়ে গেছ নিৰ্গমন ৰোধ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি অ' এন জি চিৰ অসম সম্পদৰ সাধাৰণ প্ৰবন্ধক কে এন ছাংৰানে সংবাদ মাধ্যমক সদৰি কৰে। আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহযোগত পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰয়াস চলাই থকা হৈছে বুলি শ্ৰীছাংৰানে জানিবলৈ দিয়ে। বিশেষজ্ঞৰ দলটোৱে ইতিমধ্যে ১০ ট্ৰেইলাৰভৰ্তি ৰীগৰ সামগ্ৰী সফলতাৰে স্থানান্তৰ কৰিছে। গেছ নিৰ্গমন বন্ধ হোৱা নাই যদিও অঞ্চলটোৰ ৰাইজক সম্প্ৰতি ঘৰুৱা চৌকাত ৰন্ধন কাৰ্যৰ বাবে জুই জ্বলাবলৈ সেউজ সংকেত দিয়া হৈছে।

০০০০০

যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত শিৱসাগৰ নগৰ কৃত্ৰিম বানৰ কবলত পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে নগৰখনৰ দৌলমুখ, হাস্পতাল ৰোড, বাবুপট্টি, লখিমীনগৰ, ব'ৰ্ডিং ৰোড আদি অঞ্চল পানীত বুৰ যোৱাৰ লগতে ঐতিহাসিক ৰংঘৰৰ চাৰিওফালে পানী জমা হৈছে। সম্প্ৰতি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, জলসম্পদ বিভাগ, লোকনিৰ্মাণ বিভাগ, পৌৰসভা, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জিলা প্ৰশাসনে নগৰখনত জমা হৈ পানী উলিয়াই পঠিয়াবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ

কৰিছে। নলা-নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ নকৰাৰ বাবে সৃষ্টি হোৱা এই কৃত্ৰিম বান নোহোৱা কৰিবলৈ জিলা প্ৰশাসনে কালিৰে পৰা নলাসমূহৰ ছাফাই কাৰ্য ক্ষিপ্ৰতাৰে অব্যাহত ৰাখিছে।

০০০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিৰ গোগামুখত শিক্ষা আৰু ক্ৰীড়া ক্ষেত্ৰত সফলতা অৰ্জন কৰা ৬৯ গৰাকী প্ৰতিভাশালী যুৱক-যুৱতীক সম্বৰ্ধনা জনায়। মিছিং ছাত্ৰ সংগঠন টাকাম মিছিং পৰিণ কেবাঙৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটোত উপস্থিত থাকি মন্ত্ৰী ডাঃ পেগুৱে চলিত বৰ্ষৰ নীট, জে ই ইৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰা শিক্ষাৰ্থীসকলৰ লগতে ফুটবল, উছু, কিক বক্সিঙৰ দৰে খেলসমূহত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৃতিত্ব অৰ্জন কৰা খেলুৱৈসকলকো সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০

আন্তৰ্জাতিক অলিম্পিক দিৱস উপলক্ষে অসম অলিম্পিক সন্থাৰ উদ্যোগত তেজপুৰত সমূহীয়া অলিম্পিক দৌৰৰ আয়োজন কৰা হয়। তেজপুৰৰ প’ল’ ফিল্ডৰ পৰা আৰম্ভ হোৱা, প্ৰায় এহেজাৰ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই দৌৰৰ সন্থাৰ সভাপতি আৰু কেন্দ্ৰীয় জলপথ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পতাকা জোকাৰি শুভাৰম্ভ কৰে। অলিম্পিক দিৱস উপলক্ষে প’ল’ ফিল্ডত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে অলিম্পিক শিখা প্ৰজ্বলন কৰি এই কাৰ্যসূচী আৰম্ভ কৰে। অঞ্চলটোৰ বহুসংখ্যক ক্ৰীড়া প্ৰেমী, খেলুৱৈ আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কাৰ্যসূচীটোত ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, দৌৰবিদ হিমা দাস, লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ তথা সভাপতি লৰেঞ্চ ইছলাৰী, স্থানীয় বিধায়ক পৃথ্বিৰাজ ৰাভা উপস্থিত থাকে। অলিম্পিক দিৱস উদযাপনে জনসাধাৰণলৈ মাজত ক্ৰীড়া, সুস্বাস্থ্য আৰু সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

০০০০০

অম্বুবাচী মহাযোগৰ আজি দ্বিতীয় দিনাও গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশ অব্যাহত আছে। দুপৰীয়া ভাগত অহা দোপালপিটা বৰষুণৰ মাজতো মন্দিৰত ভক্তৰ সমাগমৰ হীনদেঢ়ি হোৱা নাই। দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীৰ সৰ্বত্ৰ আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে। প্ৰবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ বন্ধ হোৱাৰ লগে লগে তান্ত্ৰিক সাধনমাৰ্গত বিশ্বাস কৰা ভালেসংখ্যক সাধু-সন্ন্যাসীয়ে ধ্যানত মগ্ন হোৱা পৰিলক্ষিত হৈছে।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে’ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ’ব।

০০০০০

সমাপ্ত